জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২২৫/২০২২**

নেডফিৰ ২৭ বছৰ পূৰ্তি উপলক্ষে ৫ টা গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# নেডফি মাইক্ৰ'লেণ্ডিং স্কীমৰ বাবে ৰাজ্য চৰকাৰে নেডফিক প্ৰদান কৰিব এশ কোটি টকা ঃ মুখ্যমন্ত্ৰী

# ষ্টাৰ্ট-আপ, ক্লাষ্টাৰ ডেভেলপমেণ্ট আৰু এণ্টাৰপ্ৰাইজ ডেভেলপমেণ্ট এই তিনিটা ফ্ৰণ্টত গুৰুত্ব দিছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

## উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগীৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই উদ্বোধন কৰিলে নেডফি মাইক্ৰ'লেণ্ডিং স্কীম

**৬৬৯ গৰাকী নেডফি মাইক্ৰ'লেণ্ডিং স্কীমৰ হিতাধিকাৰীক ৭,৮৯,৯৫,০০০ টকাৰ চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে**

**দিছপুৰ, ৯ আগষ্ট ঃ** জনসাধাৰণৰ সেৱাত নেডফিয়ে উৎসৰ্গিত কৰা ২৭ টা গৌৰৱময় বৰ্ষ সম্পূৰ্ণ কৰাৰ সৈতে সংগতি ৰাখি শুভাৰম্ভ কৰা ৫টা গুৰুত্বপূৰ্ণ কাৰ্যসূচী আজি গুৱাহাটীস্থ নেডফিৰ মুখ্য কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। এই কাৰ্যসূচীকেইটা হৈছে নেডফি মাইক্ৰ'লেণ্ডিং স্কীম, ছাত্ৰ-ছাত্ৰীসকললৈ হস্ততাঁত স্কুল ইউনিফৰ্ম বিতৰণ, নেডফি হাট ৱেবছাইট মুকলি, অগ্নিবীৰ আঁচনিৰ অধীনত আবেদনকাৰীসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধন তথা উত্তৰ-পূব পৰিষদ আৰু নেডফিৰ যৌথ উদ্যোগত উত্তৰ-পূবক আগুৱাই নিয়াৰ বাবে এটা ম'বাইল এপ মুকলি।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতবৰ্ষক বিশ্বগুৰুৰ আসনত অধিষ্ঠিত কৰিবৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সংকল্প গ্ৰহণ কৰি অহা ২৫ বছৰৰ দৃষ্টিভংগী বাস্তবায়িত কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। ইয়াৰ বাবে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে ব্যক্তিগত আৰু প্ৰাতিষ্ঠানিক দুয়োটা পৰ্যায়তে অতি দ্ৰুতগতিৰে কাম কৰিব লাগিব বুলি তেওঁ কয়।

যোৱা পাঁচটা বছৰত মাইক্ৰ'ফাইনেন্স খণ্ডত যথেষ্ট ঘাত-প্ৰতিঘাত প্ৰত্যক্ষ কৰা বুলি উল্লেখ কৰি আই-মাতৃসকলৰ দুখ-দুৰ্গতিৰ বোজা লাঘৱ কৰিবৰ নিমিত্তে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৬ হাজাৰ কোটি টকা পৰিশোধ কৰিবলগীয়া হৈছে। তেওঁ এইক্ষেত্ৰত বন্ধন বেংকৰ ভূমিকাকো সমালোচনা কৰে। নেডফিয়ে নাগৰিকসকলৰ সবলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি

উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিজন হিতাধিকাৰীক ২ লাখ টকা পৰ্যন্ত ঋণ প্ৰদানেৰে নেডফি মাইক্ৰ'লেণ্ডিং স্কীমে ক্ষুদ্ৰ উদ্যোগীসকলক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহত তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যকলাপ স্থাপন আৰু সম্প্ৰসাৰণত সহায় কৰিব। ঋণ গ্ৰহণকাৰীক সময়মতে ঋণ পৰিশোধ কৰিবলৈ তেওঁ আহ্বান জনায়।

নেডফি মাইক্ৰ'লেণ্ডিং স্কীমৰ বাবে ৰাজ্য চৰকাৰে নেডফিক এশ কোটি টকা প্ৰদান কৰিব বুলি অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ আঁচনিৰ সুবিধা গ্ৰহণ কৰি নিজৰ উদ্যোগেৰে আত্মনিৰ্ভৰশীল হৈ সমাজৰ বিকাশত অৰিহণা যোগাবলৈ ৰাইজক আহ্বান জনায়।

নৱ প্ৰজন্মৰ উদ্যোগীসকলে যাতে আৰ্থিক আৰু আত্মসংস্থাপনৰ সুযোগ পায় তাৰ বাবে কেন্দ্ৰৰ লগতে ৰাজ্য চৰকাৰে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা বুলি অনুষ্ঠানত বক্তব্য আগবঢ়াই ৰাজ্য চৰকাৰে ষ্টাৰ্ট-আপ, ক্লাষ্টাৰ ডেভেলপমেণ্ট আৰু এণ্টাৰপ্ৰাইজ ডেভেলপমেণ্ট এই তিনিটা ফ্ৰণ্টত গুৰুত্ব দি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। পিৰামিডৰ তলত থকা দৰিদ্ৰ লোকসকলক সহায় কৰিবৰ বাবে ৰাজ্যৰ সম্ভাব্য অঞ্চলসমূহত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে ৰাজ্যজুৰি প্ৰায় ২৪ লাখ মহিলাক উপকৃত কৰিবলৈ ক্ষুদ্ৰ বিত্তীয় ঋণ ৰেহাই আৰু উদগণিমূলক আঁচনিও ৰূপায়ণ কৰা বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সশস্ত্ৰ বাহিনীত যোগদানৰ বাবে উৎসাহিত কৰি নেডফিয়ে নিজৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে অগ্নিবীৰ আঁচনিৰ অধীনত আবেদনকাৰীসকলৰ বাবে আৰম্ভ কৰা প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নেডফি আৰু ভাৰতীয় সেনাৰ উদ্যোগত প্ৰায় ১০০ গৰাকী অগ্নিবীৰ আকাংক্ষীক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ইয়াৰ ফলত দুৰ্গম আৰু ভিতৰুৱা অঞ্চলৰ যুৱক-যুৱতীসকলে নিশ্চিতভাৱে এই প্ৰশিক্ষণৰ পৰা লাভৱান হ'ব পাৰিব। তদুপৰি, দৰঙামেলাস্থিত সেনা ছাউনীত প্ৰশিক্ষণৰ বাবে অহা অগ্নিবীৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে ব্ৰীগেডিয়াৰ বৰঠাকুৰৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে মুখ্যমন্ত্ৰীয়ে এক মত-বিনিময় অনুষ্ঠানত মিলিত হয়।

আজিৰ যুৱক-যুৱতীসকলৰ তথ্য লাভৰ ক্ষেত্ৰত স্মাৰ্টফোন অপৰিহাৰ্য্য হিচাপে বিবেচিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এডভান্সিং নৰ্থ-ইষ্ট প'ৰ্টেলৰ এনড্ৰইড এপ মুকলি কৰাটো আজিৰ কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। এই এপটোৰে ব্যৱহাৰকাৰীসকলক উন্নত পাৰস্পৰিক ক্ৰিয়া-কলাপৰ সুবিধা প্ৰদান কৰিব।

ঋণ আৰু উদ্যোগ সৃষ্টিৰ ক্ষেত্ৰত এক বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত হোৱা নেডফিয়ে 'ভ'কেল ফৰ ল'কেল'ৰ বাবে সম্ভাব্য মঞ্চ হিচাপে কাম কৰি 'আত্মনিৰ্ভৰ ভাৰত'ৰ প্ৰচাৰৰ বাবে থলুৱা সামগ্ৰীসমূহক মহিমামণ্ডিত কৰাৰ ক্ষেত্ৰত লোৱা পৃষ্ঠপোষকতাৰ বাবে অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে নেডফিক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীৰ 'এক জিলা এক উৎপাদন'ৰ নীতি সাৱোগত কৰি গুণ সম্পন্ন উৎপাদন প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যখনে বিকাশৰ এক নতুন দিগন্তলৈ ধাবিত হোৱা বুলি সভাত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কণী, গাহৰি, ধান, আদা, জালুক, মাহজাতীয় শস্য আদি উৎপাদনত ৰাজ্যখন স্বনিৰ্ভৰশীল হৈ উঠিছে।

ভাষণ প্ৰসংগত 'হৰ ঘৰ ত্ৰিৰংগা' বৰ্তমান চৰকাৰী পদক্ষেপতে সীমাৱদ্ধ নাথাকি এক জন আন্দোলনলৈ পৰিণত হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ দ্বাৰা হস্তুতাঁত উৎপাদন বৃদ্ধি পোৱাৰ লগতে আত্মসহায়ক গোটসমূহেও আৰ্থিকভাৱে লাভৱান হৈ উঠিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ক্ষেত্ৰী হাইস্কুলৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্থানীয় শিপিনীসকলে হস্ততাঁতত প্ৰস্তুত কৰা স্কুল ইউনিফৰ্ম বিতৰণ কৰে। তদুপৰি, অনুষ্ঠানত নেডফি মাইক্ৰ'লেণ্ডিং স্কীমৰ অধীনত ৬৬৯ গৰাকী হিতাধিকাৰীক ৭ কোটি ৮৯ লাখ ৯৫ হাজাৰ টকাৰ চেক আজি মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। সভাৰ অন্তত নেডফি হাটত অনুষ্ঠিত প্ৰদৰ্শনীত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকক উৎসাহিত কৰে।

নেডফিৰ কাৰ্যবাহী সঞ্চালক এছ কে বৰুৱাই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত নেডফিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক পি ভি এছ এল এন মুৰ্তিয়েও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, নেডফিৰ বিষয়া-কৰ্মচাৰীসকল তথা গণ্যমাণ্য ব্যক্তিসকল উপস্থিত থাকে।

**হেংশঃ**
**৯/০৮/২০২২**